
গোলকীকৰণৰ বা বিশ্বায়নৰ অৰ্থ আৰু বৈশিষ্ট্য–
GPS Map Camera
Jorhat, Assam, India
Q3hw+9w8, Jorhat, Sonari No.2, Assam 785015, India
Lat 26.778128° Long 94.097748°
14/02/25 10:00 AM GMT +05:30
Google

# • গোলকীকৰণৰ বা বিশ্বায়নৰ অর্থ আৰু বৈশিষ্ট্য–



- গোলকীকৰণ বা বিশ্বায়ন এক বহুমুখী প্ৰক্ৰিয়া।
- বিভিন্ন চিন্তাবিদে ইয়াৰ সংজ্ঞা দাঙি ধৰিছে।
- DAVID HELD ৰ মতে, “সমসাময়িক সামাজিক জীৱনৰ সকলো দিশতে বিশ্বব্যাপী পাৰস্পৰিক যোগাযোগ বৃদ্ধি কৰা, দৃঢ় কৰা আৰু দ্ৰুত কৰাটোৱেই হ'ল বিশ্বায়ন।”
- JOHN BAYLIS ৰ মতে,"বিশ্বায়ন হ'ল এনে এক প্ৰক্ৰিয়া য'ত বিভিন্ন সমাজৰ মাজৰ সম্পৰ্ক তুলনামূলকভাবে বিশ্বব্যাপী হয় আৰু বিশ্বৰ কোনো প্ৰান্তৰ ঘটনাই ৰাষ্ট্ৰীয় সীমা চেৰাই অন্য প্ৰান্তত প্ৰভাৱ পেলায়।
- MENFRED STAGER ৰ মতে, “বিশ্বব্যাপী অর্থনৈতিক,ৰাজনৈতিক,সাংস্কৃতিক আৰু পৰিবেশীয় আন্তসম্পৰ্কীয় অৱস্হিতিয়ে নিৰ্ধাৰণ কৰা এক সামাজিক অৱস্হাই হ'ল বিশ্বায়ন আৰু এনে অৱস্হাই বৰ্তমান প্ৰচলিত ৰাষ্ট্ৰীয় সীমা আৰু পৰিসীমাক অপ্ৰাসংগিক কৰি তুলিছে।

- উদ্যোগৰ উদাৰীকৰণ।
- বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশৰ ফল।
- আমদানি ৰপ্তানি প্ৰক্তিয়াত উদাৰীকৰণ।
- মূলধনৰ মুক্ত প্ৰৱাহ।
- পাৰস্পৰিক নিৰ্ভৰশীলতা বৃদ্ধি।
- বহুজাতিক কোম্পানীৰ/প্ৰতিষ্ঠানৰ বিকাশ।
- বিশ্ববেংক আৰু আন্তজাৰ্তিক মুদ্ৰানিধিৰ ভুমিকা।
- ব্যক্তিগতকৰণ আৰু উদাৰীকৰণ প্ৰক্ৰিয়া।

# বিশ্বায়নৰ বিকাশ

প্ৰাচীন বিনিময় ব্যৱস্হা

পুজিবাদ ব্যৱস্হাৰ বিকাশ

উপনিবেশবাদৰ ব্যৱস্হা|

১৯ শতিকাত বজাৰ সম্প্ৰসাৰণ|

বহূজাতিক কোম্পানীৰ গঠন|

দ্বিতীয় মহাযুদ্ধৰ পিছত বজাৰ আৰু বহুজাতিক কোম্পানীৰ সম্প্ৰসাৰণ|

বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্ৰুত উন্নয়ন|

গণতান্ত্ৰিক প্ৰমূল্যবোধ যেনে –স্বতন্ত্ৰতা, সমতা,অধিকাৰ আদিৰ বিকাশ|

তথ্য প্ৰযুক্তিৰ বিকাশ|

আন্তজাতিক সংগঠনৰ গঠন| UNO,WTO,UNDP,UNCTAD.

এইবিলাকে অৰথনৈতিক বিশ্বায়নৰ পৰিবেশ গঢ়াত সহায় কৰে|

শীতল যুদ্ধৰ অৱসান|

আঞ্চলিক অনুষ্ঠানৰ গঠন।ছাৰ্ক,এচিয়ান|

জনসাধাৰণৰ সজাগতা আৰু সচেতনতা বৃদ্ধি|

# • গোলকীকৰণৰ ইতিহাস–

- বিশ্বায়ন এক প্ৰাচীন ধাৰা।
- ইয়াৰ এক শক্তিশালী ঐতিহাসিক ভিত্তি আছে।
- জীৱিকা,খাদ্য,প্ৰাকৃতিক দুৰ্যোগ, বিনিময় ব্যৱস্হাৰ বাবে মানুহ এঠাইৰ পৰা আনঠাইলৈ গৈছিল আৰু  পাৰস্পৰিক নিৰ্ভৰশীলতা বৃদ্ধি পাইছিল।
- আধুনিক বিশ্বায়নৰ ধাৰা পুজিবাদী ব্যৱস্হাৰ পৰাই আৰম্ভ হয়।
- অতীতৰ পৰা চলি অহা মানুহ, সামগ্ৰী, মূলধন,, চিন্তাধাৰাৰ প্ৰবাহক অধিক গতিশীল আৰু দ্ৰুত কৰে উপনিৱেশবাদে।
- উপনংবেশিক শক্তিসমুহে পৰাউধীন ৰাষ্ট্ৰসমূহৰ পৰা কেচামাল সংগ্ৰহ কৰি নিজ ৰাষ্ট্ৰলৈ নি উৎপাদনত ব্যৱহাৰ কৰি সেই উৎপাদিত সামগ্ৰী পুনৰ অধিক মূল্যত বজাৰত মেলি দিছিল।

- ইউৰোপৰ ৰাষ্ট্ৰসমূহৰ মাজত সামগ্ৰী আৰু মূলধনৰ আদান প্ৰদানৰ লগত উপনিবেশিক ব্যৱস্হা জড়িত|

  ১৯ শতিকাত বিদেশী পুঁজিৰ বিনিয়োগ আৰু সামগ্ৰী উৎপাদন কৰি ৰাষ্ট্ৰবোৰৰ মাজ বজাৰ ব্যৱস্হাই প্ৰসাৰতা লাভ কৰিছিল|

  বজাৰ নিয়ন্ত্ৰণৰ বাবে বহুজাতিক কোম্পানীৰ গঠন কৰা হৈছিল|

- দ্বিতীয় মহাযুদ্ধৰ পিছত বিশ্বব্যাপী বাণিজ্য আৰু বহুৰ্জাতিক কোম্পানীৰ সম্প্ৰসাৰণ হৈছিল।
- উদাৰতাবাদী পুঁজিবাদে বজাৰ ভিত্তিক অৰথনীতিৰ লগত উদাৰতাবাদী প্ৰমূল্য যেনে– স্বতন্ত্ৰতা, ব্যক্তিবাদ,
- গণতন্ত্ৰ,। মানৱ অধিকাৰ আদি সংযুক্ত কৰে।
- এই ব্যৱস্থাই পুঁজি আৰু সামগ্ৰীৰ মুক্ত প্ৰৱাহৰ এক আন্তৰ্জাতিক পৰিৱেশ গঢ়াত সহায় কৰে।

বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্ৰুত উন্নয়ন হয়। মানব সমাজলৈ এক অভূতপূৰ্ব পৰিবৰ্তন আৰু ধ্যান ধাৰণা, মূলধন সামগ্ৰী আৰু জনসাধাৰণৰ মাজত এক প্ৰবাহ গঢ়ি উঠে।

টেলিগ্ৰাফ,টেলিফোন,টেলিভিচন, মাইক্ৰ'চিপ,ইন্টাৰনেট আবিস্কাৰে পৃথিবীখন এখন সৰু গাৱঁলৈ ৰূপান্তৰ কৰে।

- 
- সমাপ্ত